জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৭৬/২০২২**

# কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নৱনিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**দিছপুৰ, ২০ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিফুত অনুষ্ঠিত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নৱনিৰ্বাচিত সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে মুখ্য অতিথি হিচাপে অনুষ্ঠানত উপস্থিত থকা বাবে তেওঁ আনন্দিত হৈছে বুলি কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰ সংবিধানৰ বিধি অনুসৰি আজি অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত ৰাজ্যপাল উপস্থিত থকাৰ বাবে জনপ্ৰতিনিধিসকলক জনসেৱাৰ হকে নিজকে উৎসৰ্গিত মনোভাবেৰে কাম কৰাৰ বাবে উৎসাহিত কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে শপত গ্ৰহণ কৰা ২৬ জন নিৰ্বাচিত সদস্যৰ মাজত আজি যথেষ্ট উৎসাহ আৰু উদ্দীপনা দেখা গৈছে। ইয়াৰ জৰিয়তে এই কথা নিশ্চিত হৈ পৰিছে যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰাকক্ষণত জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণৰ দিশত ইয়ে ইতিবাচক প্ৰভাৱ পেলাব। ৰাজ্যৰ শেহতীয়া বানপানীৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে জিলা প্ৰশাসন সহিতে ৰাজ্যিক প্ৰশাসনে এক সমন্বিত পদ্ধতিৰে বান ক্ষতিগ্ৰস্ত জনসাধাৰণৰ দুৰ্দশা লাঘৱ কৰাৰ বাবে কাম কৰি আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সেনা, বায়ু সেনা, এনডিআৰএফকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠানৰ লগতে অন্যান্য প্ৰতিষ্ঠানসমূহেও বানপৰিস্থিতি মোকাবিলা কৰাৰ বাবে সম্ভৱপৰ সকলোধৰণৰ সহযোগিতা আগবঢ়াইছে।

আজিৰ এই শপত গ্ৰহণ অনুষ্ঠানত ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ লগতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ হৰেন সিং বে' আৰু কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে।

আয়ন / পুঃডেঃ
**২০/০৬/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in